# জাননী

ইয়াৰ দ্বাৰা জনোৱা হ'ল যে অসম মিল্ক, মিট এণ্ড এগ ছচাইটি, ও.টি.আই. বিল্ডীং, খানাপাৰা, গুৱাহাটীৰ দ্বাৰা অসম আৰু পশ্চিমবঙ্গত থকা সামৰিক দুগ্ধ পামৰ পৰা সীমিত সংখ্যক গাই গৰু , চেউৰী (বিভিন্ন বয়সৰ) আৰু দামুৰী (৬ মাহৰ তলৰ) অসমলৈ অনা হ'ব আৰু এই সমূহ অসম সমবায় সমিতি আইনৰ অধীনত পঞ্জীয়নভুক্ত দুগ্ধ সমবায় সমিতিৰ মাজত বিতৰণ কৰা হ'ব। ইয়াৰ জৰিয়তে দুগ্ধ উৎপাদন বৃদ্ধি কৰি দুগ্ধ উৎপাদকসকলৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে।

সেয়েহে ইচ্ছুক হিতাধিকাৰীসকলৰ পৰা আবেদন বিচৰা হৈছে।

আবেদনকাৰীৰ ক্ষেত্ৰত নিম্ন উল্লিখিত চৰ্তসমূহ প্ৰযোজ্য হ'ব ঃ-

(১) হিতাধিকাৰীসকল অসম সমবায় সমিতি আইনৰ অধীনত পঞ্জীয়নভুক্ত দুগ্ধ উৎপাদক সমবায় সমিতিৰ সদস্য হ'ব লাগিব আৰু দুগ্ধ উৎপাদন কৰি দুগ্ধ ব্যৱসায়ৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিবলৈ ইচ্ছুক হ'ব লাগিব।

(২) হিতাধিকাৰীসকলৰ গো-পালনৰ অভিজ্ঞতা আৰু প্ৰতিভা থাকিব লাগিব।

(৩) সমিতিসমূহলৈ যাতায়ত সু-ব্যৱস্থা থাকিব লাগিব।

(৪) সমিতিসমূহৰ গো-পালনৰ বাবে ব্যয় কৰিব পৰা সাম্যৰ্থ থাকিব লাগিব।

(৫) সমিতিসমূহৰ বেঙ্কৰ লেন-দেনৰ হিচাব বহী থাকিব লাগিব অথবা হিচাব বহী খোলাৰ বাবে আগ্ৰহী হ'ব লাগিব।

(৬) সমিতিসমূহৰ ঘাঁহ খেতি কৰাৰ বাবে আৱশ্যকীয় পৰিমাণৰ মাটি থাকিব লাগিব।

(৭) ইচ্ছুক হিতাধিকাৰীসকলে আবেদনৰ প্ৰপত্ৰ সমূহ পূৰণ কৰি নিৰ্দিষ্ট নথি-পত্ৰৰে সৈতে জিলা দুগ্ধ উন্নয়ন বিষয়া/জিলা পশুপালন ও পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়ত ১৯/০৭/২০১৮ তাৰিখলৈ জমা দিব পাৰিব।

(৮) আবেদন পত্ৰসমূহ জিলা পৰ্যায়ৰ সমিতিৰ দ্বাৰা পৰীক্ষা কৰি বাছনি কৰা হ'ব আৰু জিলা পৰ্যায়ৰ সমিতিৰ বাছনিক আবেদনকাৰী দুগ্ধ সমবায় সমিতিসমূহে মানি ল'ব লাগিব।

(৯) নিৰ্বাচিত দুগ্ধ সমবায় সমিতি সমূহলৈ গাই গৰু আবণ্টন দিয়াৰ ক্ষেত্ৰত অসম মিল্ক, মিট আৰু এগ মিছন ছচাইটিয়ে সিদ্ধান্ত ল'ব আৰু আবেদনকাৰী দুগ্ধ সমবায় সমিতিসমূহে এই সিদ্ধান্ত মানি ল'ব লাগিব।

(১০) নিৰ্বাচিত হোৱা দুগ্ধ সমবায় সমিতি সমূহে তেওঁলোকৰ একোজন সদস্য বিভাগে ব্যৱস্থা কৰি দিয়া যান-বাহনৰ লগত নিৰ্দিষ্ট সামৰিক দুগ্ধ পামলৈ পঠাব লাগিব।

(১১) আবেদনৰ প্ৰ-পত্ৰ আৰু নিয়মীয়াৱলীসমূহ "মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা"ৰ ৱেবচাইট্‌ত উপলব্ধ হ'ব (mmscmsguy.assam.gov.in)

স্বাঃ/-

মিছন সঞ্চালক

অসম মিল্ক, মিট্ আৰু এগ মিছন ছচাইটী,

খানাপাৰা, গুৱাহাটী-২২